= দুতুলি =

লিখক
আৰু
প্ৰকাশক—
ইউচুফ হাজৰিকা,
পুৰণিগুদাম
নগাওঁ অসম।
●
পৰিবেশক—
পুথিঘৰ
নগাওঁ, অসম।
●
ছপা-শাল—
পুথিঘৰ প্ৰেছ
নগাওঁ, অসম।

মূল্য—
এটকা।
●
১ জুন
১৯৫২ চন।

উছৰ্গা

স্বনামধন্য বিহগী কবি শ্ৰদ্ধেয় শ্ৰীযুত ৰঘুনাথ চৌধুৰী দেৱৰ পাদ-পদ্মত সুতুলি অৰ্পণ কৰিলোঁ।

লেখক—
ইন্দুকৃষ্ণ

সংসাৰ মৰুভূমিত মৰীচিকা খেদি ফুৰোঁতে যেতিয়া তৃষ্ণাত আতুৰ হৈ ফুৰো তেতিয়া অন্তৰত উঠে ভাবৰ বুৰবুৰণি — চাই ভাল লাগে আকাশৰ নীলা বগা ডাৱৰ বোৰ— শুনি ভাল পাওঁ কুলি কেতেকীৰ মৌ মিঠা মাত— থাকিবলৈ মন যায় নিৰ্জ্জন ঠাইৰ গছৰ চাঁত।

সেই ভাব-ৰাশি প্ৰকাশ পাইছে সুতুলিত ৰূপ হীন হৈ। কেইজনমান বন্ধুৰ উদ্গনিত ৰাইজৰ আগলৈ আগ বঢ়োৱা হ'ল সুতুলিক। দোষ থকাতো স্বাভাবিক; কিন্তু মদাৰ ফুলো ফুলে যেতিয়া ময়ো সুতুলি বজালো। ত্ৰুটী মাৰ্জ্জনা কৰিব।

ৰাইজৰ আশীৰ্বাদ ভিক্ষাৰী

ইউচুক হাজৰিকা।

মুকলি চ'ৰা

১। মোৰ সুতুলিৰ সুৰ শুনি তুমি
২। কিয় পৰাণ আকুল!
৩। হে মালিক দীন দুনিয়াৰ
৪। আল্লাহু পিয়াৰা মোৰ
৫। হিয়াভৰা মোৰ গান
৬। শৰতৰ শেৱালি আজি
৭। অ' ৰজনী সন্ধা
৮। কত দিন ৰচি আকাশ কুসুম
৯। দোলে আজি মোৰ হৃদয় দোলে
১০। অ' মোৰ মৰমৰ পখীটি অ'ই
১১। বুল বুলি তই ফুলত পৰি
১২। চিৰ বিৰহৰ বেদনাৰ ভৰা
১৩। পৰাণ হৈছে কিয় ব্যৰ্থ আজি
১৪। সপোন বীণাৰ তাৰে তাৰে
১৫। কত দিন আৰু সপোনতে ৰই
১৬। যদি মোৰ গানে তোমাৰ প্ৰাণত

১৭। মোৰ মন্দিৰত পূজিম তোমাক
১৮। প্ৰথম মিলনে প্ৰীতি সুধাধাৰ
১৯। মালতি প্ৰিয়াই আজি
২০। আৰু মোৰ নভলে আশাৰ প্ৰদীপ
২১। চিৰ জনমৰ বাসনাৰে ভৰা
২২। হিয়া চাহাৰাত মোৰ নুফুলিল ফুল !
২৩। বেদনাৰ সুৰে কাৰণো আজি
২৪। নেলাগে লুকাব অ' ৰূপহী জোন
২৫। কোনেনো প্ৰাণত ঢালিলে অমিয় ধাৰা
২৬। প্ৰিয়হাৰা পখী মোৰ
২৭। তব অনুৰাগে মোৰ
২৮। নীল আকাশৰ নয়ন কোণত
২৯। আজাদ্ আমি সকলো আজি
৩০। অ' মোৰ প্ৰথম প্ৰণয়
৩১। কনক লতাৰ এটোপা তেজ
৩২। অ' চিদ্দিক— ক'ত মোৰ বছুল থাকে
৩৩। কত আশা কৰি সাজিছিলো হায়
৩৪। ফুল গন্ধে ফুলু ছন্ধে
৩৫। হে মহা পৃথিবী মোৰ
৩৬। জানো হায় মৰি যাব
৩৭। কোন সুদূৰৰ বিহগী অ' মোৰ
৩৮। মোৰ জীৱনৰ সকৰুণ বীণা
৩৯। জয় জয় হে ভাৰতী আইৰ

৪০। জাগ! জাগ! গিৰিধাৰী
৪১। সউ নিলিমাৰ মধুৰ হাঁহি ;
৪২। শত সপোনৰ স্মৃতিৰে মিহলি
৪৩। বাদল ঝৰ ঝৰ ঝৰে
৪৪। কল্পনাৰে মোৰ মানসী প্ৰিয়াক
৪৫। মোৰ হৃদয় আসন ৰাখিছো শূন্য।
৪৬। বাৰণ কৰা যদি তুমি
৪৭। বসন্ত মলয়া বায়
৪৮। কিয়নো বজালি বাঁহী অ' বলিয়া
৪৯। অ' মোৰ গহীন ৰাতিৰ পখীটি
৫০। সুন্দৰ হে সুন্দৰ
৫১। প্ৰেম আকাশৰ শুক তৰা তুমি
৫২। প্ৰীতিৰ লিপিকা খনি মোৰ
৫৩। আয় পাকে খোদা।
৫৪। আৰু নাকান্দিবা পূজাৰিনী তই
৫৫। ভাল পাওঁ বুলি হায় মাধবী ৰাতি
৫৬। মোৰ হৃদয়ৰ বেথা
৫৭ ৰঙীণ পৃথিবী তই
৫৮। মহাত্মা গান্ধী জয় হে
৫৯। মম জ্বলি জ্বলি যিদৰে ধৰাত

মোৰ সুতুলিৰ সুৰ শুনি তুমি
নিদিবা কাণত হাত ;
তোমাৰ কাৰণে বজালো সুতুলি
শুনি কেতেকীৰ মাত ।

লুইতৰ চাপৰি নিচিনি মই
ফুলনি পাতিলো বিয়াকুল হই
পচোৱা বতাহে মোহাৰি ভাঙিলে
নেপালো এটিও পাত ।

নেচোৱা নেলাগে ঘূৰি চাব তুমি
ময়োহে নেচাওঁ আৰু কভু জুমি
সুৰভিকে লই থাকিম সদায়
কল্পনাতে পাতি হাত ॥

কিয় পৰাণ আকুল !
হিয়াৰ আশা হিয়াত ৰব
মৰহে যদি ফুল ।

যেতিয়া দেখো তোমাৰ হাঁহি
গোপনে যাওঁ প্ৰেমত ভাহি
এতিয়াই যদি নেমাতা সখী
নেপাবা পিছে কূল ।

ফুলত মধু দেখিলে অলি
মধুৰ লোভত পৰে ঢলি
প্ৰণয় দিয়ে ফুলক ঢালি
পালে মধুৰ মোল ॥

সুতুলি

হে মালিক দিন দুনিয়াৰ
চিজ্‌দা লোৱা মোৰ হাজাৰো হাজাৰ
(আয়) পাকে পৰওৱৰ্দ্‌গাৰ ।

নাই আজি মোৰ কোনো পৰিচয়
তোমাৰ লগত হে দয়াময়
বন্দেগি মোৰ হয় যেন পূৰ
তোমাৰ মহিমা অপাৰ ।

যি আছে এই সুন্দৰ ধৰাত
কৰুণা বিচাৰে তোমাৰ আশাত
দিয়া যেন সুমতি চলিবৰ বাবে
আমি অতি গুণাহ্‌গাৰ ॥

~তিনি~

ঘুতুলি

আল্লাহু পিয়াৰা মোৰ
সেই নামৰ ছৰাব পি
মই মজ্জনু বিভোৰ।

বনৰ পখীয়ে তোমাৰ গান
গাই নিতে ধৰি সুমধুৰ তান
গগনত জ্বলে চন্দ্ৰ সূৰ্য্য তৰা
ত্ৰিভুবন কৰি ভোৰ।

বান্দা নাচীজ্ আমি গুণাহ্‌গাৰ
পৰাণে বিচাৰে তেওঁক দিদাৰ
ফকিৰ দৰবেশ জপে হৰদম্
মহান প্ৰেমৰ ডোৰ॥

চাৰি

হিয়াভৰা মোৰ গান
কোনো কথা নাই আজি
নাই আৰু অভিমান ।

নীলিমাৰ মধু তিথি
ধৰণীৰ অতিথি
আহাঁ তুমি এটিবাৰ
অচিনাকী দুটি প্ৰাণ ।

হৃদয়ৰ যত কথা
বিৰহৰ যত বেথা
নোৱাৰি গুছাব প্ৰিয়,
এয়ে হায় মোৰ গান ॥

সুতুলি

শৰতৰ শেৱালি আজি
ফুলিছে হাঁহিৰে পদূলি শুৱাই
পালী সাজেৰে সাজি ।

প্ৰিয়াৰ চকুত প্ৰেমৰ তুফান
প্ৰেমিকে গায় হিয়া ভৰা গান
শীতল হিমৰ পৰশ লাগি
উৰিছে আচল আজি ।

লাজতে কঁপিছে উঠা বুকু খনি
কাণেৰে গুণগুনি সুৰৰ কঁপনি
চেনেহতে পমি ডুবৰি বুকুত
উপচি পৰিছে আহি ॥

—ছন্দ—

অ' ৰজনী গন্ধা
নিশা পৰশত মাৰিছ হাঁহিটি
অকণি হৃদয় খুলি।
গোন্ধৰ জুলনে জুলি॥

প্ৰকৃতি কানন সুৰলা কৰিছ
মিচিকি হাঁহিৰে পৰাণ মোহিছ
কতযে প্ৰেমিকে গাঁথে কত তাজ
তোৰেই মায়াত ভুলি
গোন্ধৰ জুলনে জুলি॥

নিশাৰ পথীয়ে তোৰেই মায়াত
গায় কত গীত কতনো আশাত
আন্ধাৰতে তই মৰহি নাযাবি
থাকিবি ধৰাতে ফুলি
গোন্ধৰ সফুৰা খুলি॥

কত দিন ৰচি আকাশ কুসুম
বিনাবি বলিয়া প্ৰাণ
ভুল তোৰ হায় ভাঙিব কেতিয়া
শাঁত পৰি হিয়া খান।

জীৱন নদীত সকলো বুৰালি
আশাৰ পানচৈ মিছাতে সাজিলি
মাজ বাটতেই নিঠৰুৱা হলি
নুবুজি কালৰ গান।

পৃথিবী ছুদিনৰ ছাঁয়া ছবি
বিনালে কিহব বিৰহী কবি
অতীতৰ সতে সকলো মিলিব
জীৱন স্মৃতিৰ তান॥

দোলে আজি মোৰ হৃদয় দোলে
তোমাৰ পুলক ভৰা মধু গানে ॥

অচিন পথিক তুমি
হিয়াৰ মৰম চুমি
বিৰহ জগাই নীৰব তানে ॥

প্ৰয়োজন মোৰ বুজিবানে হায়
বেঁদনাৰ সেই মৰুভূমি চাই ।
প্ৰাণৰ যাতনা মোৰ
হব জানো হায় দূৰ
তুমি যদি থাকা মোৰ ই প্ৰাণে ॥

সুতুলি

অ' মোৰ মৰমৰ পখীটি অ'ই।
গাই যা তই গাই যা তই
জীৱনৰ গীত গাই যা তই

মনৰ কামনা মনতে তোৰ
জাগি উঠে অতীতৰ মায়া ঘোৰ
আবেগ ভৰা নয়নে
ফুৰিছ কিয়নো অ'ই।

হৃদয়ৰ সেই মুকুতা মোহন
কোন সৰগৰ মধুৰ সপোন
হেৰুৱাই কান্দিছ আজি
বুকুতে সাৰুটি লই॥

দহ

সুতুলি······

বুল বুলি তই ফুলত পৰি
ফুলৰে খেলিছ দোল।
আজিও কিয় ফুল কলিবোৰ
টোপনিতেই বিভোল।

হেঙুলী উষাই গাইছে গীত;
শেৱালি বনৰ ৰূপ পদূলিত
সুৰভি বিলাই ফুল কুঁৱৰীও
গইছে ৰূপতে ভোল।

সুৰ পাহৰি কিয়বা প্ৰিয়াই
ফুলিছে আজিও ফুলনি শুৱাই
কোমল তনুৰ পৰশত আজি
হিয়া হয় বিয়াকুল॥

~এখাব~

সুতুলি

চিৰ বিৰহৰ বেদনাৰে ভৰা
নহয় তাজ মহল ;
মমতাজৰ ই প্ৰণয় কীৰিতি
উদয় অৰুণাচল ।

প্ৰাণ প্ৰতিমাৰ প্ৰিয় সমাধিত
গানিলে কতনো বেদনাৰ গীত
করুণ তানেৰে মৰ্ম্মৰ ধ্বনীত
বোৱালে অশ্ৰুৰ ঢল ।

মমতাজ তুমি মমতা হিয়াৰ
জগাই স্মৃতি আজিও প্ৰিয়াৰ
উচ্চ শিৰ তুলি যমুনা পাৰত
কৰি আছা জল মল ॥

—বাৰু—

সুতুলি······

পৰাণ হৈছে কিয় ব্যৰ্থ আজি
মানবৰ অবিচাৰে।
তথাপি হিয়াত বেথা অভিমান
জাগি উঠে বাৰে বাৰে ॥

অভাগাক কিয় কৰিছা বঞ্চিত
অসহায় তাতে ঘৃণায় দলিত
কল্পনাৰে ভৰা জীৱনৰ কথা
কোনেনো বিচাৰ কৰে ॥

মমতাৰে ভৰা তোমাৰোতো প্ৰাণ।
আশাতেই ৰচা সপোনৰ গান
পৃথিবীত কিয় এনে অবিচাৰ
মানুহে মানুহক কৰে ॥

তেৰ

সুতুলি

সপোন বীণাৰ তাৰে তাৰে
গাই যা মধুৰ গান;
বেথা ভৰা সেই করুণ সুৰত
ভাঁহি যাওঁক মোৰ প্ৰাণ।

সুৰৰ বিননি করুণ ৰাগিণী
তুলি হৃদয়ত তাৰৰ কঁপনি
প্ৰভাতী সুৰেৰে পাৰিবিনে ৰাৰু
ভাঙিব প্ৰিয়াৰ ধিয়ান।

মোৰ কামনাৰ ফুল ৰেণুবোৰে
চঞ্চল আশাতে কঁপি কঁপি উৰে
শুনুনাবি আৰু হিয়া ভগা সুৰ
বলিয়া হবযে প্ৰাণ॥

—চৈৎন্য—

সুতুলি·····

কত দিন আৰু সপোনতে তই
কতাবি অবুজ মন।
মিছাতে ফুৰিছ মৰুভূ বুকুত
হেৰোৱা হিয়াৰ ধন॥

অসাৰ বুলিতো জানিছ জীৱন
বুজিছ সকলো মায়াৰ সপোন
তাৰেই আশাত ঘূৰি ফুৰি তই
নেভাঙিবি তোৰ মন।

নিৰাশা বোজাটি লইযে প্ৰাণত
আপোন পাহৰি গোপন ভাৱত
সপোন বনৰ মৰীচিকা খেদি
আৰু ক'ত গাৱ গান॥

~পোহ্নৰ~

সন্তুলি

যদি মোৰ গানে তোমাৰ প্ৰাণত
জগায় বিৰহ বেদনা।
নীলিমাৰ জোন চাই লবা তুমি
বিচৰা যদিহে সান্ত্বনা ॥

সেই অতীতৰ মিলন মাধুৰী
বয় ধীৰে ধীৰে
জগায় চেতনা।

মোৰ সুৰে মাথো তাকে সোঁৱৰাই
তোমাক জনাব ৰাতি
কি দৰে কৰিলা তাহানি আকুল
গোপনে এবাৰ মাতি।

মোৰ জীৱনৰ সোণালী যামিনী
লয় হল ক'ত আজি—
নীৰবে সদায় চকুলো বোৱাই
তাৰেই কৰিছো সাধনা ॥

—খোকন—

সুতুলি

মোৰ মন্দিৰত পূজিম তোমাক
থাপিছে তোমাৰ মুকুতি
বুকু ভৰা মোৰ বেদনাৰ সুৰে
শুনাম তোমাক আৰতি।

দিবানেহে দেখা হৃদয় দেৱতা
লবা জানো মোৰ পূজা অথিৰতা
মোৰ ই দেহাৰ প্ৰদীপ জ্বলিব
পোহৰাই তব মুকুতি ।
তোমাৰ প্ৰাণৰ নিজৰা বোৱাই
লবা তুমি মোক সাৱটি ॥

~সোতৰ~

সুতুলি

প্ৰথম মিলনে প্ৰীতি সুধাধাৰ
কৰি দিয় তুমি দান
জীৱন মাধুৰী হৰি গুছি গলা
এয়ে নেকি পতি নাম ।

হৃদয় যদি নেলাগে সখা
ঘূৰাই দিয়া প্ৰাণৰ ব্যথা
নুশুনো আৰু তোমাৰ কথা
বিৰহ বিষাদ গল ।

পালে তোমাৰ ৰূপৰ গন্ধ
হব যুৱক ভ্ৰমত অন্ধ
ঘোৱাহে তোমাক নকৰো বন্ধ
প্ৰীতি হল অৱসান ॥

ভৈৰৱ

সন্তুলি.....

মালতি প্ৰিয়াই আজি
খোপাতে পিন্ধিলে ফুলৰে পাহী;
লাজুকী ফাগুনে ওৰণি টানি
মাৰিলে মিচিকি হাঁহি।

মৰমতে পমি প্ৰিয় ভোমোৰাই
চোনহ পীৰিতি গোপনে জনাই
উতলা হিয়াৰ সুৰভি বিলাই
পৰাণ নিয়েহি টানি।

কিয়নো গোপনে পুলক জগাই
ফুলৰ বুকুতে মুখনি লুকাই
আপোন পাহৰি মধুৰ লোভত
গুণ্ গুণ্ কৰে আহি॥

—উনৈশ—

সন্ধুলি

আকু মোৰ নজ্বলে আশাৰ প্ৰদীপ
হিয়া চাহাৰাত হায়;
দীপ জ্বলে বুলি আজি অতদিন
অকাতৰে ৰলো চাই।

সহিব নোৱাৰি বেদনাৰ ভাৰ
বাগৰি পৰিছে চকুলো দুধাৰ
কোনেনো প্ৰাণত শীতল পৰশ
দিবহি বুলাই হায়!

মায়াৰ মাজত আশাৰ জীৱন
তাৰোযে সন্ধান নাই॥

বিশা

স্মৃতুলি……

চিৰ জনমৰ বাসনাৰে ভৰা
লোৱা মোৰ এই দান;
চকুৰ পানীৰে ৰচিম তোমাৰ
বিদায়ৰ শেষ গান।

শুনিলো করুণ বাণী—
সৰিল চকুৰ পানী
ভালপোৱা জানো পৃথিবীৰ পাপ
নুবুজিলা মোৰ প্ৰাণ।

পুৰণা দিনৰ প্ৰীতি
পুৰণা কথাৰ স্মৃতি
থাকি যাব মাথো প্ৰাণৰ মাজত
সেই যে একেটি তান॥

~এবৈকেশ~

হিয়া চাহাৰাত মোৰ নুফুলিল ফুল।
ফুলিব পাৰে প্ৰিয় ভাঙে যদি ভুল॥

জীৱনৰ কুসুম বনত
মৃদু মধুৰ গন্ধ পায়
ভোমোৰাই গুণ্ গুণ্ সুৰে
আহি শুনাব গীত গায়
হয়তো উঠিব ফুলি মোৰ কামনাৰ ফুল
দিয়া যদি আতঁৰাই বিষে ভৰা হুল॥

বেদনাৰ সুৰে কাৰনো আজি
কৰুণ বাঁহীটি বাজে;
কিয়নো ৰূপৰ মাধুৰী বিলাই
ৰজনী গন্ধা জাগে।

পৰাণৰ বীণা বজায় মনে মনে
হিয়া যমুনাৰ বেথা ভৰা বনে
জাগি আছা হায় কিহৰ আশাত
ফুল কুৰঁৰীৰ সাজে।

ফাগুণ বনত অগনি লগাই
হৃদয়ৰ আশা মিছাতে জগাই
কিয় জাগে স্মৃতি তাৰ—
মাথো হায় অবিচাৰ
মৰুভূত আৰু সুফুলে যে ফুল
তপত বালিৰ মাজে॥

নেলাগে লুকাব অ' ৰূপহী জোন
কিয়নো লুকাৱ তই ;
আজি শৰতৰ মধু পূৰ্ণিমাত
গাম মিলনৰ গান ।
নীল আকাশৰ বুকুৰ মাজত
নীৰলে ঘূৰিছ আপোন ভাবত
কিয়নো মেঘতে লুকাই থাকা
হৃদয় কৰিছ দান ।
কুঞ্জ কাননৰ বিজন বনত
তোৰেই গোপন প্ৰীতি
সপোন পাৰৰ সুৰভি সানি
সজাৱ প্ৰেমৰ গীতি ।
তোৰ দৰে মোৰ কত যে আশা
মনতে মৰহি শুকাই ভাষা
মিলন ৰাগিনী সুমধুৰ তানে
নাচি উঠে মোৰ প্ৰাণ ॥

কোনেনো প্ৰাণত ঢালিলে অমিয় ধাৰা
উজ্বলি উঠিছে আকাশী তৰা ॥

সুদূৰত উঠিছে ধ্বনি—
মিলনৰ মৃদু হাঁহি ;
বাজিছে মধুৰ সুৰে
কিনো মোহন বাঁহী
কোনে চাই জুমি জুমি
চকুত মদিৰা ভৰা ।

প্রিয়হাৰা পখী মোৰ
করুণ গীতেৰে কিয়নো জনাৱ
প্ৰাণৰ কথাটি তোৰ ।

কাক হেৰুৱাই বুকু ভাঙি ভাঙি
জীৱনৰ কথা বিনাৱ কান্দি
প্ৰণয়ী হিয়াৰ চকুলো বোৱাই
তুলিছ বেথাৰ সুৰ ।

কতেনো এৰিলি জীৱন লগৰী
ৰিনালে কিহব আপোন পাহৰি
তোৰ কামনাৰ প্ৰাণ প্ৰতিমাক
কোনেনো কৰিলে চুৰ ॥

তব অনুৰাগে মোৰ
নয়নে অশ্ৰু জাগে ;
স্মৃতিৰ পুলকে মৰ্ম্মৰ ভেদি
প্ৰাণত বেথাটি লাগে ।

কতনো বিষাদ ৰাগীণি তানি
ভগা হৃদয়ত বেদনা সানি
অতীত সুৰঁৰী মধু ফাগুনে
কিয়বা বিদায় মাগে ?

বেথাৰ অনলে পুৰিছে হৃদয়
কিয়নো নহল আশাৰ উদয়
কেতিয়ানো দুখ হব শেষ মোৰ
ভাবতে হৃদয় ভাগে ॥

সতুলি

নীল আকাশৰ নয়ন কোণত
অনল অশ্রু সৰে
হৃদয় জ্বালাত অথিৰ পৰাণ
পুলকে আকুল কৰে।

মৰুভূ বুকুত নেদেখি চাঁয়া
দেখি মাথো হায় মৰীচিকা মায়া
চলনাৰে চলি ঘূৰিছে কিয়বা
সুদূৰ দূৰান্তৰে।

কোন হেৰেমৰ চাহজাদী তুমি
বন্ধ গোপন ঘৰে
কত দিন আৰু জীৱন যাতনা
সহিবা অকল সৰে।

আহিবনে বাৰু প্ৰিয় চাহজাদা
ভাঙিবনে সেই পাষাণ বাধা
দিবহিনে মছি চকুলো তোমাৰ
মিলন মধুৰ সুৰে॥

আঠাইশ

আজাদ্ আমি সকলো আজি
আজাদ্ হিন্দুস্থান ।
আকাশে বতাহে ধ্বনিছে পুলকে
আজাদীৰ মহা গান ॥

কদম্ কদম্ মিলাই চল
উচ্চ শিৰ কৰি আগুৱাই বল
নতুন যুগৰ বীৰ স্বদেশৰ
তুমি মহা গৰীয়ান ॥

দিকে দিকে আজি নৱ অভিযান
স্বাধীন জীৱনে কৰিছে আহ্বান
আজাদীৰ গানে কঁপিছে ধৰণী
নাচিছে মুক্ত প্ৰাণ ॥

অ' মোৰ প্ৰথম প্ৰণয়
তুমি মোৰ বিৰহ বেদনা
কামনা হৃদয় ।

অতীতৰ যত কথা
বিৰহৰ যত বেথা
জ্বলি আছে স্মৃতি মাথো
নাই আজি পৰিচয় ।

তোমাৰ মায়াতে হায়
আসন থইছো সজায়
তুমি মোৰ চিৰ মধুৰ
এখনি উজ্জ্বল হৃদয় ॥

কনক লতাৰ এটোপা তেজ
আজিও জিলিকি ৰল ;
আই অসমীৰ বুকুৰ মাজত
চেতনা জগাই গল ।

বুকুৰ তেজেৰে জগাই ধৰণী
জীৱন তিয়াগী উঠিল বিননি
শ্বহীদ প্ৰাণৰ নিৰ্ম্মালি দানে
অসমী স্বাধীনা হল ।

প্ৰাণ শলিতাৰ চাকিটি জ্বলাই
জননীৰ বুকু দিলা পোহৰাই
যুগ যুগ ধৰি তোমাৰ জীৱন
বুৰঞ্জীত লিখা ৰল ॥

অ' চিদ্দিক—
ক'ত মোৰ ৰছুল থাকে ।
মৰু হাৰেমত আজিও যে হায়
স্মৃতিৰ বেদনা জাগে ।

আমি গুণাহ্‌গাৰ উম্মত যাৰ
বিচাৰি কান্দিছো তেওঁক শতবাৰ
কৰিছো আদায় চালাম সদায়
মহান প্ৰেমৰ ৰাগে ।

গাই মহা নাম সকলো আহি
"বালাগাল উলা-বে কামালিহি"
নামাজৰ বাদে কৰিছো মোনাজাত
জীৱনৰ অনুৰাগে ॥

কত আশা কৰি সাজিছিলো হায়
জীৱনৰ বালি ঘৰ;
ৰূপ সাগৰৰ ঢেউ লাগি সেই
ভাগি গল বালি চৰ।

মৰীচিকা ময় মৰুভূত বহি
নিতউ কতষে যাতনা সহি
নুবুজি কেৱল কান্দিছো মৰি
বিচাৰি আপোন পৰ।
কান্দিলেতো হায় নপৰে সমূলি
এই যে দুখৰ ওৰ॥

ফুল গন্ধে কুঁহু ছন্দে
তণু মোৰ জৰ জৰ;
কোনে হানিছে ফুল-ধনুশৰ।
চকুলো বাগৰে নয়ন ভৰি
পৰিছে দেহাত পথৰ ধূলি
মিছা হল মোৰ আশাৰ ফুলনি
শূন্যযে বাসানা মোৰ।
বেথাৰ লগৰী প্ৰদীপ মোৰ
পুৰি পুৰি হল ক্ষয়
মিলন বেদীৰ লগ্ন সাৰি
তাৰ সতে মলিন হয়;
মাধবী লতা পৰিল সৰি
পৰাণ কিয় কান্দে সুৱঁৰী
মায়াৰ বান্ধোন ছিগি গল হায়
নুবুজি আপোন পৰ॥

হে মহা পৃথিবী মোৰ—
ভোগীছো কতনো দুখৰ যাতনা
কেতিয়া পৰিব ওৰ ।

তোমাৰ মায়াৰ অলীক সপোনে
হৃদয় বান্ধিছে কিয়বা গোপনে
বুজাও নাপাও কপালৰ লেখা
বয় মাথো চকুলোৰ ।

জ্বলিছে পৰাণ কিহৰ আশাত
নুফুলে কুসুম মোৰ কামনাত
ক্ষণিক সুখৰ কামধেনু চাই
দুখ হব জানো দূৰ ॥

জানো হায় সবি যাব
সপোনৰ ফুল পাহি ;
তাকে লই কিয় তোলে
ছুদিনৰ মধু হাঁহি ।

মায়া মধু ভাল লাগে
হিয়াত পুলক জাগে
মন আকাশত মিলন ৰেখাটি
আঁকি যায় ভাহি ভাহি ।

জোনৰ ছবিটি ৰজনীৰ শেষে
ফুলি জহি যায় মলিন বেশে
যুগ যুগ ধৰি
মধু-মালা গঢ়ি
আনে ধৰণীত কত' ৰূপ চায়া
কিয় জানো হয় বাহি ॥

কোন সুদূৰৰ বিহগী অ' মোৰ
মন আকাশত উৰে ;
কোন দৰদীয়ে সিপাৰত গায়
গান হিয়া ভগা সুৰে ॥

বুকৰে বিহগী তই
মনৰে বাতৰি কই
উদাস পৰাণে সহি কি যাতনা
কান্দিছ অকলসৰে ।

বেথা ভৰা সেই জীৱন কাহিনী
পৰাণৰ কিনো করুণ ৰাগিণী
আৰু নাগাবি গান অ' বিহগী
তোৰ হিয়া ভগা সুৰে ॥

মোৰ জীৱনৰ সকৰুণ বীণা
বাজিও নাবাজে হায়,
মায়াৰ সপোন দেখি বাৰে বাৰে
কত বেথা আহে যায়।

জাগে কত আশা মোৰ
ভাহি উঠে সেই সুৰ
মৰমৰ সুৰভি আজিও যে তাৰ
বিচাৰি নাপায় হায়।

ফাগুনৰ বনে অগণি জ্বলাই—
অতীতৰ স্ম   দিয়ে সোঁৱৰাই
প্ৰাণত যাতনা নিদিবাহে প্ৰিয়
হৃদয়ৰ দুখ চাই॥

জয় জয় হে ভাৰতী আইৰ
অসমী জীয়াৰী তুমি ;
তোমাৰ বুকুতে জন্ম লভিলো
তুমিহে জনম ভূমি।
নমৰে অসমী নোৱাৰে মৰিব
যতদিন এই পৃথিবী থাকিব
ঘোষিছে নিতে অতীত কিৰীতি
অসীম গগণ চুমি।
কত মহাসতী, সতী জয়মতী—
ৰাখি'ল অমৰ নাম,
সোণৰ দেউলে বন্তি জ্বলাই
গাই আছে যশ-গান।
পুত পবিত্ৰ অমৰ আত্মাই
তোমাৰ চৰণে শোণিত বোৱাই.
থই গল কত সোণালী কবিতা
হে মোৰ জনম ভূমি।

জাগা জাগা গিৰি ধাৰী

কৃষ্ণ মুৰাৰি ;

যাদৱ যদু নাথ হে—

ভৱ দুখ হাৰী ।

কুৰুক্ষেত্ৰ ৰণে পাণ্ডৱ মিতা

মুখে অভয় বাণী ভগৱদ্ গীতা

ত্ৰিভুবন বন্দন

দুঃখ বিভঞ্জন

শঙ্খ-চক্ৰ-গদাধাৰী ।

পাপ তাপ-কাণ্ডাৰী—

দুষ্ট-দমন কাৰী

সুকৃতি মনোহৰ

ত্ৰিভুবন সৃজন কাৰী ।

সেউ নীলিমাৰ ৰূপালী জোনাকে—
তুলিছে মধুৰ হাঁহি;
কোনেনো নীৰলে কুঞ্জ কাননত
বজায় মোহন বাঁহী।

আনে কুলিটিয়ে কুহুঁ কুহুঁ মাতি
বসন্ত মধুৰ মলয়া ছাটি
দূৰ তটিনীৰ কুলু কুলু সুৰত
মন মোৰ যায় ভাহি।

জোতিৰ পৰশে নৱ অনুৰাগে
দৰ'দ প্ৰিয়াৰ বেদনা জাগে
লুকা-ভুকি খেলা-খেলেহি হিয়াত
গোপনে গোপনে আহি॥

শত সপোনৰ স্মৃতিৰে মিহলি
এই যে মাধৱী ৰাতি :
মিলনৰ ৰাগে নাচি উঠে প্ৰাণ
মধুৰ মালিকা গাঁথি ।

প্ৰাণৰ পথিকে দিব জানো দেখা
জ্বলিছে হিয়াত গোপন বেথা
বাসনা জীৱন কিহৰ আশাত
মায়াই ৰাখিছে ঢাকি ।

আশা হীন সেই মৰু চাহাৰাত
ফুলিবনে ফুল মোৰ কামনাত
বাসনাৰে ভৰা হৃদয়ত মোৰ
ৰাখিছো আসন পাতি ॥

বাদল ঝৰ ঝৰ ঝৰে
মাদল বাজে অম্বৰে ;
কাজল মেঘ গুৰু গুৰু
গৰজে ভীষণ স্বৰে ।

ঘন ঘন বৰষাই—
বৰষি বৰষি হায়—
বেদনাৰ তৰঙ্গ তোলে
থাকি থাকি মোৰ অন্তৰে ।

কোন অলকাৰ পৰা
বৰষিছে বাৰি ধাৰা
তাকে দেখি মোৰো হায়
চকুলো বাগৰি সৰে ॥

কল্পনাৰে মোৰ মানসী প্ৰিয়াক
কবিতা ছন্দেৰে গঁথা,
গোপনে পিন্ধাই সপোনৰ মালা
গোপনে কৰিছো দেখা।

কবিয়ে ৰচি কল্পনাৰ সাজ
ফুটালে জ্যোতি স্মৃতিৰ তাজ
হওযে হায় কল্পনা মাথো—
প্ৰাণৰ নজনা কথা।

নহওঁ মই চাহ জাহান
নোৱাৰো দিব মৰ্ম্মৰে প্ৰাণ
বুকুত মোৰ বেদনা জ্বলি
জাগিছে বিৰহ বেথা॥

মোৰ হৃদয় আসন ৰাখিছো শূন্য
আহাঁ প্ৰিয় সখী আহাহে
তোমাৰ কাৰণে কৰিছো সাধনা
পূৰ্ণ কৰা মোৰ আশাহে।

পলে পলে মোৰ পৰিছে মনত
তুমি কোৱা কথা সন্ধিয়া পৰত
পুৰণা কাহিনী পেলাই মনত
দিয়া আহি দিয়া দেখাহে।

যদি আহাঁ তুমি গোপনে গোপনে
তোমাকো ৰাখিম লুকাই যতনে
মৰীচিকা খেদি নেযাবা আতঁৰি
প্ৰেম-প্ৰীতি এৰি সখাহে ॥

বাৰণ কৰা যদি তুমি
যমুনা ঘাটত
নেযাও গোপনে সখী
গাগৰী কাষত ॥

নিঠুৰ কলীয়া তুমি
কিয় চোৱা জুম জুমি
বাঁহীটি বজোৱা কিয়
অহাৰ বাটত ॥

বসন্ত মলয়া বায়
বুকুৰ আঁচল খানি
দিয়ে উৰুৱাই,

ফুলিছে বকুল পাপিয়া আকুল
গুণ গুণ গুণ অলি কুলে গায়।

সৰিছে বকুল জুৰ জুৰ জুৰ
হৰষতে আজি হিয়া ভৰ পুৰ
কুঞ্জ কুটিৰত সুমধুৰ সুৰে
কোনে জানো হায় গীত গায় যায়।

মিলনৰ আশে হৃদয় আকুল
মন যমুনাৰ ভৰিছে দুকুল
কোন অলকাৰ সুৰ দেৱতাই
হিয়া খনি মোৰ কাঢ়ি লই যায়॥

কিয়নো বজালি বাঁহী অ' বলিয়া
আজিনো সন্ধিয়া তই।
লুইতৰ পাৰৰে বিৰিণা কঁপিছে
সুৰতে ব্যাকুল হই॥

মেঘৰ সতে শূন্যৰ বুকুত
বিৰহী চিতৰ করুণ সুৰত
আকাশে বতাহে কঁপনি তুলিলি
কাকনো বিচাৰি অই।

তোৰেনো বুকুত কিহৰ আশা—
সজল করুণ গানৰ ভাষা
ৰজালে কিহৰ ব্যথাৰ বাঁহাটি
নাহেযে লগৰী অই॥

অ’ মোৰ গহীন ৰাতিৰ পখাটি
আপোন পাহৰি কিয়নো কান্দিছ
বুকু ভাঙি নিৰবধি।
মোৰ দৰে তয়ো বেদনা সুৱৰি
ফুৰিছ বিৰহ পথে
গাৰনো লগৰী কেনি গুছি গল
প্ৰাণৰ মমতা দহি ॥

বনত ফুলিছে শেৱালি বকুল
আকাশত হাঁহে তৰা
তোৰ লগৰীহে নাহিল উলটি
নিদিলেহি আহি ধৰা।

দুখনি হৃদয় স্মৃতিৰ দোলেৰে
কোনেনো বান্ধিলে সখী ॥

সুন্দৰ

সুন্দৰ হে সুন্দৰ
তুমি নটবৰ শ্যাম।
মম্-হৃদি ৰস মঞ্চে
জ্বলেহে ত্ৰিভঙ্গ ঠাম।

সুধাকৰ সম শ্ৰীমুখ কমল
শ্যামল পীযুষ চকু ঢল ঢল
উজ্জ্বল মোহন অধৰ যুগল
সৃষ্টি লীলা ৰসে
মোহিত ব্ৰজ ধাম।

অতুল ৰাতুল চৰণে ৰাজে
সুন্দৰ নূপুৰ পুলকে বাজে
অন্তৰে অন্তৰে নাচি-ফুল্ল তনু
উঠে ধ্বনি তব নাম॥

পঞ্চাশ

মুকুলি......

প্রেম আকাশৰ শুক তৰা তুমি
মজণু প্ৰাণৰ প্ৰিয়া ;
বিৰহে তোমাৰ কন্দুৱাই যায়
আজিও প্ৰেমিক হিয়া !

উছুপি উছুপি মজণুৱে কয়
"দিয়াহে লায়লী তোমাৰ হৃদয়
তোমাৰ কাৰণে দহিছে দেহা
কিয় জানো ব্যথা দিয়া ।

জানো লাগে ভাল বিৰহ বেদনা
সহিও নীৰৱে অশেষ যাতনা
তেওঁযে তোমাক নেপাহৰো হায়
হৃদয়ত ঠাই দিয়া ॥

~প্ৰকাৰঙ্গ~

সুতুলি

প্ৰীতিৰ লিপিকা খনি মোৰ
চকুলোৰে লিখা হায়,
মোৰ গানে কয় নিতে একে কথ
মই আছো তুমি নাই।

সপোনতে বহি কবিতা ৰচিলোঁ
কল্পনাৰে শত প্ৰতিমা গঢ়িলো—
পূজাৰ বেদীতে সিও জহি গল
পোৱা আৰু আশা নাই।

মাটিৰ মানুহে মাটিকে ঘিণায়
সুখৰ কামনা কৰি
খেলা শেষ হলে দুদিনীয়া দেহ,
থাকিব ইয়াতে পৰি;

স্মৃতিৰ দীপালী সদায় জ্বলিব
পৃথিবীয়ে যেন নোৱাৰে ৰোধিব
ধ্যানৰ মাজেদি সমাধি গঢ়িম
ৰঙা জৰা চাই চাই॥

—বাবুন—

সুতুলি.....

আয় পাকে খোদা !
দৰুদে চালাম তোমাৰেই দোৱা ।
হবিবে খোদা মোহম্মদ মোস্তাফা
মাৰ হাবা মাৰ হাবা ॥

তব জ্যোতি লা ইলাহা ইলল্লাহ
নামে মোহম্মাদিয়া ৰছুলুল্লাহ
নবীৰ নামত কৰিলা উচ্ছৰ্গা
মহা কোৰাণ অমৃত ভাষা
মাৰ হাবা মাৰ হাৰা ॥

মহান তুমি আলেমুল গাইব
নাইযে তোমাৰ একোতে আয়ব
সৃষ্টিৰ অসীম দীন ও দুনিয়া
তোমাৰ আহমদি কাবা
মাৰ হাবা মাৰ হাবা ॥

~ত্ৰেপন~

সুতুলি

আৰু নাকান্দিবি পূজাৰিণী তই
সুন্দৰ মন মন্দিৰে
জ্বলিছে দীপ আৰতি পূজাৰ—
মধুৰ লুপ্ত প্ৰীতিৰে ।

গাছোন এবাৰ আৰতিৰ গান
নতুন ছন্দেৰে ধৰি নব তান
উঠলি উঠক দেৱতাৰ প্ৰাণ
তোৰ মঙ্গল আৰতিৰে ।

দগ্ধ হিয়া তোৰ শীতল পৰিব
প্ৰাণৰ দীপ্ত জ্যোতিৰে ॥

—চৌৰাঙ্গ—

ভাল পাওঁ বুলি হায় মাধবী ৰাতি
নাহিবনে বসন্তৰ মলয়া ছাটি ॥
ৰূপালী ৰহনে
চিকি মিকি ধৰা
নেথাকিবি জুমি
অকণি তৰা
অতীতৰ কথা ভাবি নীৰৱে ৰাতি ।

কুলিটিয়ে আজি
গছে গছে পৰি
কাক জানো মাতে
কুঁহু কুঁহু কৰি
দিব কোনে পৰিচয় গোপনে মাতি
ৰাখিছোহে হৃদয় আসন পাতি ॥

সুতুলি

মোৰ হৃদয়ৰ বেথা
কৰি গৈ মলয়া দৰদী কবিক
ৰছিব ৰঙীন সপোন দেখা।

তাহানিৰ অতি গোপন কথায়
কিয়বা আজিও হৃদয় জ্বলায়
পৰা হলে মই দেখুৱালো হয়
অদেখা প্ৰাণৰ লেখা।

ৰচি থোৱা যত গান
গালো বহুদিন জীৱন বনত
তেওঁকেই কৰি দান—
হিয়াৰ সাৰথি কেওঁ নাই মোৰ
সমীৰণে তোলে সকৰুণ সুৰ
অভিমান কৰি গুছি গল কিয়
নুবুজি মনৰ কথা॥

—ছাপন্ন—

সুতুলি……

ৰঙীণ পৃথিবী তই
তোৰ মায়া নিপ-বনে,
মধুৰ কবিতা ৰচি
কেৱে হাঁহে কেৱে কান্দে
মিলনৰ ক্ষণে ক্ষণে ।

কেৱে আশা লই বান্ধে
অতি চেনেহৰ দুদিনীয়া ঘৰ
কেৱে নিৰাশাতে ভাঙে
ভাল পোৱা যদি বিধতাৰে দান
কিয় ব্যথা দিয় মনে ॥

প্ৰেম অভিলাষ কিমান মধুৰ
বুজাব নোৱাৰি ইমান নিঠুৰ
জীৱনৰ পথ পিছল কৰি লই
ঢালে সুধা সমীৰণে ॥

~সাতাৱন~

সুতুলি

মহাত্মা গান্ধী জয়হে ;

লাঞ্ছিত ভাৰতৰ মুক্তি বিধাতা

মহাত্মা গান্ধী জয়হে ।

অন্ধ জাতিৰ দেখুৱালা পথ

বিজয়ী শঙ্খ বজায় হে,

মহাত্মা গান্ধী জয় হে ।

নিষ্পেষিত অতি দগ্ধ কাৰাগাৰ

অহিংসা মন্ত্ৰৰে কৰি চাৰখাৰ

জাতিৰ মাজত জগালা ঐক্যতা

কৰি স্বদেশ স্বাধীন হে,

মহাত্মা গান্ধী জয় হে ।

ৰচি গলা তুমি অমৃতৰ বাণী

দীপ্ত শোণিতৰ অমৰ কাহিনী

যুগে যুগে ৰব নামটি তোমাৰ

নবীন পুত্ৰ তুমি হে,

মহাত্মা গান্ধী জয়হে ॥

—আটাৰজ—

স্মৃতিলিপি……

মম জ্বলি জ্বলি যিদৰে ধৰাত
নিজক বিলায় যায়
ময়ো আজি হায় জ্বলিছো সিদৰে
তোমাৰ ৰূপতে প্ৰায়।

প্ৰদীপ দেখিলে পতঙ্গই আহি
প্ৰাণ দিয়ে বলি পোহৰত ভাহি
কাক দিবা দোষ সেই বাবে তুমি
তুমিও নুবুজা হায়।

তুমি থাকা প্ৰিয় আলোৰ মালিকা
গাঁথি পৃথিবীত সুবৰ সবিতা
মই উৰি উৰি তোমাৰ কাষত
তোমাকেই ৰম চাই॥

—শেষ—